জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৭৯/২০২০

# প্ৰলয়ংকাৰী ধুমুহাই সৃষ্টি কৰা ক্ষয়-ক্ষতিৰ প্ৰতিবেদন চৰকাৰক জমা দিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ মুখ্যমন্ত্ৰী সোণোৱালৰ

**দিছপুৰ, ১৫ এপ্ৰিল ঃ** আজি ৰাজ্যত প্ৰলয়ংকাৰী ধুমুহাই ব্যাপক ক্ষতিসাধন কৰাৰ পৰিপ্ৰেক্ষিতত তৎকালে ক্ষয়-ক্ষতিৰ বুজ লৈ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই ক্ষেত্ৰত জিলা উপায়ুক্তসকলক চৰজমিন পৰ্যবেক্ষণৰ জৰিয়তে ক্ষতিগ্ৰস্ত এলেকা আৰু পৰিয়ালসমূহ চিনাক্ত কৰি তাৎক্ষণিকভাৱে তেওঁলোকক সকাহ দিব পৰাকৈ পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে কয়। তদুপৰি, দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পৰাত সহায়ক হোৱাকৈ উপায়ুক্তসকলক ক্ষতিগ্ৰস্ত অঞ্চল তথা পৰিয়ালসমূহৰ বিতং প্ৰতিবেদন চৰকাৰৰ হাতত জমা দিবলৈ উপায়ুক্তসকলক নিৰ্দেশ দিছে।

**বীঃগঃ / পুঃডেঃ**
**১৫/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in